**দশম ভাৰত-লিথুৱানিয়া বৈদেশিক কাৰ্যালয়ৰ পৰামৰ্শ (মাৰ্চ 13, 2026)**

মাৰ্চ 13, 2026

2026 চনৰ 13 মাৰ্চত ভিলনিয়াছত ভাৰত-লিথুৱানিয়া বৈদেশিক কাৰ্যালয়ৰ পৰামৰ্শৰ (এফঅ'চি) দশম বৈঠক অনুষ্ঠিত হয়। ভাৰতীয় প্ৰতিনিধি দলটোক নেতৃত্ব দিছিল বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ সচিব (পশ্চিম) শ্ৰী চিবি জৰ্জে। লিথুৱানিয়াৰ দলটোৰ নেতৃত্ব দিয়ে দেশখনৰ বৈদেশিক পৰিক্ৰমা বিভাগৰ উপ-মন্ত্ৰী শ্ৰীযুত ভিডমান্টাছ ভাৰ্বিকাছে।

2. উভয় পক্ষই ৰাজনৈতিক, বাণিজ্য আৰু অৰ্থনৈতিক সহযোগিতা, সাংস্কৃতিক সম্পৰ্ক আৰু জনসাধাৰণৰ মাজৰ পাৰস্পৰিক যোগাযোগকে ধৰি দ্বিপাক্ষিক সম্পৰ্কৰ সমগ্ৰ দিশ পৰ্যালোচনা কৰে। বাণিজ্য আৰু বিনিয়োগ তথা লেজাৰৰ দৰে উচ্চ-প্ৰযুক্তিৰ খণ্ডসমূহৰ সম্পৰ্ক অধিক সুদৃঢ় কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। উভয় পক্ষই ভাৰত-ইউৰোপীয় ইউনিয়ন সম্পৰ্কৰ বিষয়েও আলোচনা কৰে আৰু পাৰস্পৰিক স্বাৰ্থজড়িত আঞ্চলিক তথা গোলকীয় বিষয়সমূহৰ ওপৰত মত-বিনিময় কৰে।

3. ভ্ৰমণকালত সচিব শ্ৰীযুত চিবি জৰ্জে লিথুৱানিয়াৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী মহামান্য শ্ৰীযুত কেষ্টুটিছ বুড্ৰিছকো সাক্ষাৎ কৰে। তেওঁ লগতে লিথুৱানিয়াৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ ৰাজনৈতিক সঞ্চালক (বৈদেশিক সচিব) শ্ৰীযুত লাইমোনাছ তালাত-কেলপছা; লিথুৱানিয়াৰ প্ৰধানমন্ত্ৰীৰ মুখ্য বৈদেশিক নীতি উপদেষ্টা শ্ৰীযুত কেষ্টুটিছ কুডজমানাছ; ক্লাইপেডা বন্দৰৰ মুখ্য কাৰ্যবাহী বিষয়া শ্ৰীযুত আলগিছ লাটাকাছ; আৰু ভূ-ৰাজনৈতিক তথা সুৰক্ষা অধ্যয়ন কেন্দ্ৰৰ (জিএছএছচি) মুখ্য কাৰ্যবাহী বিষয়া শ্ৰীযুত লিনাছ কোজালাৰ সৈতেও মত-বিনিময় কৰে।

4. সচিবগৰাকীয়ে লিথুৱানিয়াত বসবাস কৰা ভাৰতীয় প্ৰবাসীসকলৰ সৈতেও মত-বিনিময় কৰে আৰু তেওঁলোকক 'বিকশিত ভাৰত 2047'ৰ অভিমুখে 'অমৃত কাল'ৰ যাত্ৰাত অৰিহণা যোগাই যাবলৈ আহ্বান জনায়। তেওঁ দূতাবাসৰ নতুন চৌহদত আয়ুষ তথ্য কোষ আৰু 'এক জিলা এক উৎপাদন' (অ'ডিপি) লাউঞ্জ উদ্বোধন কৰে।

5. নতুন দিল্লীত উভয় পক্ষৰ বাবে সুবিধাজনক তাৰিখত বৈদেশিক কাৰ্যালয়ৰ পৰামৰ্শৰ পৰৱৰ্তী লানি বৈঠক অনুষ্ঠিত কৰিবলৈ সন্মতি জনোৱা হয়।

**ভিলনিয়াছ**

**মাৰ্চ 14, 2026**